(এইটো উমান পোৱা গৈছে যে,) নিশ্চিতভাৱে তোমালোকে তোমালোকৰ পূৰ্বৱৰ্তীসকলৰ পৰিপূৰ্ণৰূপে অনুসৰণ কৰিবা, প্ৰতি বেগেতে বেগেতে আৰু প্ৰতি গজে গজে।

আবু ছাঈদ আল-খুদৰী ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "(এইটো উমান পোৱা গৈছে যে,) নিশ্চিতভাৱে তোমালোকে তোমালোকৰ পূৰ্বৱৰ্তীসকলৰ পৰিপূৰ্ণৰূপে অনুসৰণ কৰিবা, প্ৰতি বেগেতে বেগেতে আৰু প্ৰতি গজে গজে। আনকি যদি সিহঁতে গুঁই সাপৰ গাততো সোমাই পৰে তথাপিও তোমালোকে
সিহঁতক অনুসৰণ কৰিবা।" আমি সুধিলোঁ, হে আল্লাহৰ ৰাছুল! ইয়াহুদী আৰু খ্ৰীষ্টানসকলৰ
কথা কৈছে নেকি? তেখেতে ক'লেঃ "তেন্তে আৰুনো কাৰ কথা?" [ছহীহ] [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে তেখেতৰ উম্মতৰ কিছুমান লোকৰ অৱস্থা বৰ্ণনা কৰিছে যে, পৰৱৰ্তী সময়ত সিহঁতে ইয়াহুদী আৰু খ্ৰীষ্টানসকলৰ আক্বীদাহ, কাৰ্যকলাপ, অভ্যাস আদিৰ অনুসৰণ কৰিব। পৰিপূৰ্ণৰূপে অনুসৰণ কৰিব, প্ৰতি বেগেতে বেগেতে আৰু প্ৰতি গজে গজে। আনকি সিহঁতে যদি গুঁই সাপৰ গাততো সোমায় তেন্তে ইহঁতেও সিহঁতৰ পিছে পিছে তাত সোমাব।

http://www.sunnah.global/hadeeth/as/show/3355